
নৰ্থ-ইষ্ট নাও আমাৰ মাটি আমাৰ খবৰ। (13.03.2025)

Bina Chowdhury Central Library
Girijananda Chowdhury University
Hatkhowapara, Azara, Ghy-17



# নুমলীগড় শোধনাগাৰৰ সৈতে গিৰিজানন্দ বিশ্ববিদ্যালয়ৰ বুজাবুজিৰ চুক্তি স্বাক্ষৰ

by এন ই নাও নিউজ, গুৱাহাটী March 13, 2025 6:27 pm




148 VIEWS Share on Facebook Share on Twitter

বৃহস্পতিবাৰে অসমৰ উদ্যোগ আৰু শিক্ষাক্ষেত্ৰৰ মাজত সম্পৰ্ক অধিক শক্তিশালী আৰু উন্নত কৰাৰ বাবে নুমলীগড় শোধনাগাৰৰ সৈতে এক বুজাবুজিৰ চুক্তিত স্বাক্ষৰ কৰে গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ে।

চুক্তি স্বাক্ষৰ অনুষ্ঠানত দুয়োটা প্ৰতিষ্ঠানৰ কেইবাজনো শীৰ্ষ ব্যক্তি উপস্থিত থাকে। অনুষ্ঠানটোত নুমলীগড় শোধনাগাৰৰ পৰিচালন সঞ্চালক ভাস্কৰজ্যোতি ফুকন, এছ এছ এ ছ'চাইটিৰ সভাপতি যশোদাৰঞ্জন দাস আৰু গিৰিজানন্দ বিশ্ববিদ্যালয়ৰ উপাচাৰ্য কন্দৰ্প দাস উপস্থিত থাকে।

চুক্তি স্বাক্ষৰ অনুষ্ঠানত ভাষণ দি ভাস্কৰজ্যোতি ফুকনে প্ৰযুক্তিৰ ভৱিষ্যৎ আৰু পৰিৱেশৰ ওপৰত ইয়াৰ প্ৰভাৱৰ বিষয়ে বিস্তৃতভাৱে আলোচনা কৰাৰ লগতে জলবায়ু সংকটৰ বিষয়তো গুৰুত্বপূৰ্ণ মন্তব্য কৰে।

এই বুজাবুজিৰ চুক্তিৰ লক্ষ্য হৈছে পাৰস্পৰিকভাৱে উপকাৰী হোৱাকৈ কৌশল গ্ৰহণ কৰি উদ্যোগ আৰু শৈক্ষিক ক্ষেত্ৰৰ সংযোগ শক্তিশালী কৰা আৰু ঘনিষ্ঠ সম্পৰ্ক গঢ়ি তোলা।

Bina Chowdhury Central Library
Girijananda Chowdhury University
Hatkhowapara, Azara, Ghy-17

দুয়োটা প্ৰতিষ্ঠানে পৰিকল্পনা কৰা কাৰ্য্যকলাপসমূহৰ ভিতৰত আছে যৌথ অনুষ্ঠানৰ ব্যৱস্থা কৰা, জ্ঞান আৰু তথ্য বিনিময় কৰাৰ লগতে গৱেষণা, অধ্যয়ন আদি বিভিন্ন ক্ৰিয়া-কলাপ সম্পন্ন কৰা।

দুয়োটা প্ৰতিষ্ঠানে আশা কৰিছে যে প্ৰযুক্তি আৰু ব্যৱসায়িক ব্যৱস্থাপনাৰ ক্ষেত্ৰত নুমলীগড় শোধনাগাৰৰ ব্যৱহাৰিক দক্ষতা, অভিজ্ঞতাৰ দ্বাৰা গিৰিজানন্দ চৌধুৰী বিশ্ববিদ্যালয়ত উদ্যোগ আৰু প্ৰযুক্তি ক্ষেত্ৰত এক উন্নত শৈক্ষিক পৰিৱেশ গঢ়ি তুলিব পৰা যাব। যাৰ ফলত বিশ্ববিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰী আৰু অধ্যাপকসকলে গৱেষণা, অধ্যয়ন, কৰ্মশালা, সন্মিলন আদিৰ ক্ষেত্ৰত সহায় লাভ কৰিব। উল্লেখ্য যে তেল আৰু গেছেৰে সমৃদ্ধ অসমৰ চাৰিটা শোধনাগাৰৰ ভিতৰত অন্যতম নুমলীগড় শোধনাগাৰ ১৯৮৫ চনৰ ১৫ আগষ্টত স্বাক্ষৰিত অসম চুক্তি অনুসৰি গোলাঘাট জিলাৰ নুমলীগড়ত স্থাপন কৰা হৈছিল। এই শোধনাগাৰটোৰ দ্বাৰা অসমৰ লগতে নুমলীগড় অঞ্চলটো ক্ষিপ্ৰ ঔদ্যোগিক আৰু অৰ্থনৈতিক বিকাশত আগুৱাই যাবলৈ যথেষ্ট সক্ষম হৈছে।